بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**মক্কা বিজয় অভিযানৰ প্ৰেক্ষাপটত আঁহজৰত (ছাঃ)ৰ জীৱনীৰ ঈমান উদ্দীপক বৰ্ণনা তথা বৰ্তমান পৰিস্থিতিৰ দৃষ্টিকোণত দোৱা আৰু খাদ্য সামগ্ৰী জমা কৰাৰ প্ৰতি মনোযোগ আকৰ্ষণ**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১১ জুলাই ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ. بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ. اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ. الرَّحْمٰنِ الرَّحِيْمِ. مٰلِكِ يَوْمِ الدِّيْنِ. اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ. اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ. صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ.

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, যিদৰে যোৱা খোতবাত বৰ্ণনা কৰা হৈছিল যে কাবাৰ চাবি উছমান বিন তালহাৰ ওচৰত আছিল। যেতিয়া মক্কা বিজয় হয় তেতিয়া হজৰত আলী (ৰাঃ)য়ে পানী যোগান ধৰাৰ সন্মানৰ লগতে চাবি কঢ়িয়াই নিয়াৰ সন্মান লাভ কৰিবলৈ অৰ্থাৎ চাবি তেওঁক দিবলৈ অনুৰোধ কৰিছিল। কিন্তু ৰছুলুল্লাহ (ছাঃ)য়ে কাবা এৰি যোৱাৰ সময়ত উছমান বিন তালহাক মাতি আনি চাবিটো তেওঁক ঘূৰাই দি কলে যে **আলইয়াউমাল বিৰৰি ওৱা ওফায়িন**। আজি ধাৰ্মিকতা আৰু প্ৰতিজ্ঞা পূৰণৰ দিন, সেই সময়ত উছমান বিন তালহা মুছলমান হৈ গৈছিল। ৰছুলুল্লাহ (ছাঃ)য়ে এইদৰে কিয় কলে ইয়াৰ বিস্তাৰিত বিৱৰণ এনেদৰে যে তেখেত (ছাঃ)য়ে প্ৰব্ৰজনৰ আগতে এবাৰ উছমান বিন তালহাৰ পৰা কাবাৰ চাবি বিচাৰিছিল, কিন্তু তেওঁ ইয়াৰ উত্তৰ বেয়াকৈ দিছিল আৰু অশ্লীল ভাষা প্ৰয়োগ কৰিছিল। তেখেত (ছাঃ)য়ে সেই সময়ত ধৈৰ্য ধাৰণ কৰি কৈছিল যে হে উছমান মনত ৰখা এই চাবি কোনো দিন মোৰ হাতত আহিব, আৰু সেয়া মই নিজৰ ইচ্ছাৰে যাক বিচাৰিম তাকে দিম। উছমানে তেতিয়া এই উত্তৰ দিছিল যে যদি এনেকুৱা সময় আহে তেন্তে সেই সময় হ'ব কুৰাইছসকলৰ ধ্বংস আৰু অপমানৰ দিন। ইয়াৰ উত্তৰত তেখেত (ছাঃ)য়ে কৈছিল যে এনেকুৱা নহ'ব, বৰঞ্চ সেই সময়ত কুৰাইছসকল সমৃদ্ধিশালী আৰু সন্মানীয় হ'ব। সেই সময়ত তেখেত (ছাঃ)ৰ সৈতে যি আচৰণ কৰা হৈছিল সেয়া তেখেত (ছাঃ)ৰ মনত আছিল, তথাপি সেইসকল লোকৰ ওপৰত দয়া আৰু কৰুণা দেখুৱালে। তেখেত (ছাঃ)য়ে

কলে যে এই চাবি চিৰদিনৰ বাবে লৈ লোৱা। তোমাৰ পৰা এই চাবি কেৱল অত্যাচাৰী সকলেই কাঢ়ি ল'ব। এইটো তোমাৰ বংশধৰৰ মাজত থাকিব। অৰ্থাৎ আজিলৈকে খানা কাবাৰ চাবিটো সেই বংশধৰৰ মাজতে অব্যাহত আছে।

বৰ্ণিত আছে যে মক্কা বিজয়ৰ দ্বিতীয় দিনা বনু খাজাআ গোত্ৰ বনু বুদায়েলৰ এজন পৌত্তলিকক হত্যা কৰিছিল, ৰছুলুল্লাহ (ছাঃ)য়ে নামাজে জহৰৰ পিছত খোতবা দিয়াৰ বাবে থিয় হয়। তেখেত (ছাঃ)য়ে আল্লাহ তা'লাৰ প্ৰশংসা কৰি কলে, হে লোকসকল ! আল্লাহ তা'লাই মক্কাক সেই দিনৰ পৰা সন্মানিত কৰিছে যিদিনা সেইজনাই আকাশ আৰু পৃথিৱী সৃজন কৰিছে, যিদিনা সেইজনাই সূৰ্য আৰু চন্দ্ৰ বনাইছে আৰু দুটা পাহাৰ চাফা আৰু মাৰওৱা বনাইছে, ইয়াক লোকসকলে সন্মানেৰে ভূষিত কৰা নাই বৰং আল্লাহ তা'লাই সন্মানিত কৰিছে। এইবোৰ কিয়ামতৰ দিনলৈকে সন্মানিত থাকিব। যিয়ে আল্লাহ আৰু আখিৰাতৰ দিনত বিশ্বাস স্থাপন কৰে তেওঁৰ বাবে ইয়াত ৰক্তপাত কৰা বা কোনো গছ কাটি পেলোৱা বৈধ নহয়। এইটো মোৰ আগতে কাৰো বাবে বৈধ নাছিল আৰু মোৰ পিছতো কাৰো বাবে বৈধ নহ'ব। মোৰ কাৰণে ক্ষন্তেক সময়ৰ বাবে বৈধ হৈছিল। ইয়াৰ পিছত ইয়াৰ সন্মান আগৰ দৰেই উভতি আহে। তোমালোকৰ মাজৰ উপস্থিত আৰু অনুপস্থিত লোকসকলক জনাই দিয়া যিসকলে কয় যে ৰছুলুল্লাহ (ছাঃ)য়ে ইয়াত যুদ্ধ কৰিছিল তেওঁলোকক কোৱা যে আল্লাহ তা'লাই নিজৰ ৰছুলৰ বাবে এয়া বৈধ কৰিছিল, খোদা তা'লাই তোমালোকৰ বাবে তেনে কৰিবলৈ বৈধ কৰা নাই। হে লোকসকল ! আল্লাহৰ বিৰুদ্ধে আটাইতকৈ অহংকাৰী ব্যক্তি হ'ল সেইজন যিয়ে পৱিত্ৰ স্থানত হত্যা কৰে আৰু নিজৰ হত্যাকাৰীৰ বাহিৰেও আন সকলক হত্যা কৰে বা অজ্ঞতাৰ যুগৰ তেজৰ প্ৰতিশোধ লোৱাৰ বাবে হত্যা কৰে। হে বনু খাজাআ ! হত্যা কৰা বন্ধ কৰা, তুমি এজন মানুহক হত্যা কৰিছা মই ইয়াৰ পৰিশোধ আদায় কৰিম। মোৰ নিশ্চয়তাৰ পিছত যিয়ে কাৰোবাক হত্যা কৰে তেওঁৰ পৰিয়ালৰ হাতত দুটা বিকল্প আছে, ইচ্ছা কৰিলে তেজৰ পৰিশোধ হিচাপে ধন ল'ব পাৰে বা ইচ্ছা কৰিলে হত্যা কৰিব পাৰে। বনু খাজাআই যাক হত্যা কৰিছিল তেখেত (ছাঃ)য়ে সেই ব্যক্তিৰ পৰিশোধ হিচাপে এশ উট দি দিয়ে। তেওঁৰ ফালৰ পৰা তেখেত (ছাঃ)য়ে পৰিশোধ আদায় কৰিছিল। সেই দিনবোৰতে ফুজালা বিন উমেয়ৰৰ তেখেত (ছাঃ)ক হত্যা কৰাৰ পৰিকল্পনাও পোহৰলৈ আহে। তেওঁ কয় যে যেতিয়া তেখেত (ছাঃ)য়ে খানা কাবাৰ প্ৰদিক্ষণ কৰি আছিল তেতিয়া মইয়ো সেই ভীৰৰ মাজতে তৰোৱাল লৈ তেখেত (ছাঃ)ক (নাউজুবিল্লাহ) হত্যা কৰাৰ পৰিকল্পনাৰে তেখেত (ছাঃ)ৰ পিছে পিছে গৈ আছিলো, যেতিয়াই তেখেত (ছাঃ)ৰ কাষ চাপো তেতিয়া তেখেত (ছাঃ)য়ে তেওঁক দেখি কয় যে তুমি ফুজালা হয় নে ? তেওঁ কলে যে হয়, হৃদয়ত কি ভাৱি আছা ? তেওঁ মিছা কথা কলে যে মই আল্লাহক স্মৰণ কৰি আছো। এই কথা শুনি তেখেত (ছাঃ)য়ে হাঁহি মাৰি কয়, আল্লাহ তোমাক ক্ষমা কৰক, যি তুমি কৈ আছা সেয়া তুমি কৰা নাই,তেখেত (ছাঃ)য়ে অধিক কাষ চাপি আহি তেওঁৰ বুকুৰ ওপৰত হাত ৰাখে। ফুজালাই বৰ্ণনা কৰিছে যে খোদাৰ শপত! তেখেত (ছাঃ)য়ে বুকুৰ পৰা হাতখন উঠোৱাই নাছিল ইমানতেই তেওঁ ক'ব ধৰিলে যে পৃথিৱীত সকলোতকৈ অধিক প্ৰিয় মহম্মদ (ছাঃ) হয়। তেওঁ নিজৰ ঘৰৰ ফালে ওভতি যায় আৰু তেওঁৰ জীৱন সম্পূৰ্ণৰূপে সলনি হৈ যায়।

সেই দিনবোৰতে হজৰত আবু বক্কৰ (ৰাঃ)ৰ পিতৃৰ ইছলাম গ্ৰহণ কৰাৰ ঘটনা উল্লেখ পোৱা যায়। এবাৰ হজৰত উম্মে হানি (ৰাঃ)ৰ ঘৰত তেখেত (ছাঃ)ৰ খাদ্য খোৱাৰ ঘটনাৰ উল্লেখ পোৱা যায়। হজৰত ইবনে আববাছ (ৰাঃ)ৰ পৰা বৰ্ণিত যে তেখেত (ছাঃ)য়ে মক্কা বিজয়ৰ সময়ত হজৰত উম্মে হানি (ৰাঃ)ক কয়

যে তোমাৰ ওচৰত এনে খাদ্য আছে নে যাৰ পৰা আমি খাব পাৰোঁ ? তেওঁ কলে যে শুকান ৰুটিৰ বাহিৰে আমাৰ ওচৰত একোৱেই নাই, মোৰ লাজ লাগে যে সেয়া আপোনাৰ সেৱাত আগবঢ়াও। তেখেত (ছাঃ)য়ে কয় যে সেইবোৰ লৈ অহা। তেখেত (ছাঃ)য়ে সেইবোৰ পানীৰ লগত তিয়াই কিছু নিমখ মিহলি কৰে। তেখেত (ছাঃ)য়ে কয় যে জোল আছেনে ? তেওঁ কলে হে আল্লাহৰ ৰছুল! মোৰ ওচৰত ভিনেগাৰৰ বাহিৰে একোৱে নাই। তেখেত (ছাঃ)য়ে কয় যে সেই ভিনেগাৰ লৈ অহা, ইয়াৰ পিছত সেই ভিনেগাৰ শুকান ৰুটিৰ সৈতে মিলাই খায় আৰু আল্লাহৰ ধন্যবাদ জ্ঞাপন কৰে। ইয়াৰ পিছত কয় যে কিমান ভাল খাদ্য হয়, হে উম্মে হানি ! যাৰ ঘৰত ভিনেগাৰ আছে তেওঁ দুখীয়া হ'ব নোৱাৰে। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে কৃতজ্ঞতাৰ অন্ত নাই, তেখেত (ছাঃ)য়ে উম্মে হানি (ৰাঃ)ক সান্তনা দিয়ে। এইটো আছিল মক্কা বিজয়ৰ অৱস্থা। যেতিয়া প্ৰতিটো ঘৰতে সকলো কিছু পোৱা সম্ভৱ আছিল তথাপি তেখেত (ছাঃ)য়ে সৰু সৰু শুকান ৰুটিৰ টুকুৰাৰে জীৱন নিৰ্বাহ কৰিলে।

তেখেত (ছাঃ)য়ে মক্কাত গৈ পোৱাৰ পিছত তাৰে সকলোবোৰ বস্তু বিশেষকৈ খানা কাবাৰ প্ৰতি ভালপোৱা দেখি আনছাৰ সকলৰ হৃদয়ত ভয় সৃষ্টি হৈছিল যে তেখেত ইয়াতে ৰৈ যাব পাৰে। হজৰত আবু হুৰায়ৰা (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে যেতিয়া আনছাৰ সকলৰ অৱস্থা এনেকুৱা হৈছিল তেতিয়াই আঁহজৰত (ছাঃ)ৰ ওপৰত ওহী অৱতীৰ্ণ হয়, ওহী অৱতীৰ্ণ হোৱাৰ পিছত তেখেত (ছাঃ)কয় যে হে লোকসকল ! তোমালোকে এইটো ভৱানে যে এই ব্যক্তিৰ ওপৰত নিজৰ জন্ম স্থানৰ প্ৰতি প্ৰেম প্ৰাধান্য লাভ কৰিছে ? তেওঁলোকে কয় যে এনেকুৱা নহয়, তেখেত (ছাঃ)য়ে কয় যে যদি এনেকুৱাই হয় তেন্তে মোৰ নাম কি হ'ব ? মই মহম্মদ হও, আল্লাহৰ ভৃত্য হয় আৰু সেইজনাৰ ৰছুল হওঁ। মই আল্লাহৰ স্বাৰ্থত তোমালোকৰ ফালে প্ৰব্ৰজন কৰিছিলোঁ, এতিয়া মোৰ জীৱন মৰণ তোমালোকৰ সৈতে, ইয়াৰ পিছত তেওঁলোকে কান্দিব ধৰিলে, তেওঁলোকে তেখেত (ছাঃ)ৰ ফালে আগবাঢ়ি গৈ ক'ব ধৰিলে যে আল্লাহৰ শপত ! আমি আপোনাক যিয়েই কৈছিলো সেয়া কেৱল আল্লাহ আৰু সেইজনাৰ ৰছুলৰ ভালপোৱাৰ স্বাৰ্থত আৰু আপোনাৰ পৰা দূৰত্ব হৈ যোৱাৰ ভয়তে কৈছিলো। ৰছুলে কৰিম (ছাঃ)য়ে কলে যে নিশ্চয় আল্লাহ আৰু সেইজনাৰ ৰছুলে তোমালোকৰ এই কথাৰ সত্যায়ন কৰে আৰু তোমালোকৰ অজুহাত গ্ৰহণ কৰে।

যেতিয়া নামাজে জহৰৰ সময় হয় তেতিয়া তেখেত (ছাঃ)য়ে হজৰত বিলাল (ৰাঃ)ক নিৰ্দেশ দিয়ে, হজৰত বিলাল (ৰাঃ)য়ে ছাতৰ ওপৰত উঠি আজান দিয়ে। বৰ্ণনাত পোৱা যায় যে সেইদিনা সকলোবোৰ নামাজ এবাৰ অজু কৰিয়ে পঢ়িছিল। হজৰত উমৰ (ৰাঃ)য়ে কলে, হে আল্লাহৰ ৰছুল ! আপুনি আজি কি কৰিলে যিটো আপুনি নকৰে, ৰছুলুল্লাহ (ছাঃ)য়ে কলে যে উমৰ ! মই ইচ্ছাকৃতভাৱে এই কামটো কৰিলোঁ। উলেমা সকলে এই যুক্তি দিয়ে যে তেখেত (ছাঃ)য়ে প্ৰয়োজনৰ সময়ত সুবিধাৰ  আদৰ্শ স্থাপন কৰিছিল। সেই সময়ত তেখেত (ছাঃ)য়ে সাধাৰণ বয়াতো লৈছিল। তেখেত (ছাঃ)য়ে তেওঁলোকৰ পৰা আল্লাহৰ ওপৰত বিশ্বাস স্থাপন কৰাৰ আৰু এই সাক্ষী দিয়াৰ অংগীকাৰ লৈছিল যে আল্লাহৰ বাহিৰে আন কোনো উপাস্য নাই, মহম্মদ (ছাঃ) আল্লাহৰ বান্দা আৰু ৰছুল হয়। পুৰুষসকলৰ বয়াত লোৱা শেষ কৰাৰ পিছত তেখেত (ছাঃ)য়ে মহিলাসকলৰ বয়াত লয়, সেই বয়াত লোৱাৰ সময়ত আবু ছুফিয়ানৰ স্ত্ৰী হিন্দাও আছিল। হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে যিসকল অপৰাধীক হত্যাৰ নিৰ্দেশ দিয়া হৈছিল সেই সন্দৰ্ভত লিখা হৈছে মই বিতংভাৱে বুজাই দিম যদিও মানুহৰ এই বিষয়েও কিছু সংশয় আছে আৰু ঘটনাবোৰেও একেই ইংগিত দিয়ে, কাৰণ যিবোৰ কাৰণৰ ভিত্তিত হত্যাৰ আদেশ সন্দৰ্ভত বৰ্ণনা কৰা হৈছে সেইবোৰ স্পষ্টভাৱে

নবী কৰিম (ছাঃ)ৰ কৰ্ম আৰু স্বভাৱৰ পৰিপন্থী। এই সন্দৰ্ভত হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে নিজৰ মন্তব্যত লিখিছে যে কেৱল এঘাৰজন পুৰুষ আৰু চাৰি গৰাকী মহিলা এনেকুৱা আছিল যিসকল নিৰ্মম হত্যাকাৰী আৰু দুৰ্নীতি পৰায়ণ আছিল বুলি প্ৰমাণিত। তেওঁলোক আছিল যুদ্ধ কৰা অপৰাধী, তেওঁলোকৰ বিষয়ে ৰছুলুল্লাহ (ছাঃ)ৰ নিৰ্দেশ আছিল যে তেওঁলোকক হত্যা কৰা হওঁক। তেওঁলোক কেৱল কাফিৰ আৰু যুদ্ধৰ অপৰাধী নাছিল বৰঞ্চ যুদ্ধাপৰাধীও আছিল। কিন্তু তেওঁলোকৰ অধিক সংখ্যকক মুছলমান সকলৰ মধ্যস্থতাৰ ফলত এৰি দিয়া হৈছিল।

এই সন্দৰ্ভত বিতং বিৱৰণ দিয়াৰ লগতে সেইবোৰ খণ্ডন কৰাৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে ইয়াত কোনো সন্দেহ নাই যে কিছুমান কুৰাইছৰ চৰ্দাৰ যিসকল ইছলামৰ বিৰোধী আছিল তেওঁলোকে আঁহজৰত (ছাঃ)ৰ উপস্থিতিৰ কথা শুনি মক্কাৰ পৰা পলায়ন কৰে। এইটো কেৱল ইবনে ইছহাকৰ অনুমান যে তেওঁলোকে এই কাৰণেই পলায়ন কৰিছিল যে তেওঁলোকক হত্যাৰ নিৰ্দেশ জাৰি কৰা হৈছিল। অৰ্থাৎ মক্কা বিজয়ৰ সময়ত কেৱল অল্প সংখ্যক লোকক হত্যা কৰাৰ সিদ্ধান্ত লোৱা হৈছিল আৰু এইসকল ইয়াৰ মাজতেই অন্তৰ্ভুক্ত আছিল। হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে ন্যায় হিচাপে কেৱল অলপ লোকক শাস্তি দিয়া হৈছিল, তেওঁলোকক শাস্তি দিয়াৰ বাবে খোদাৰ ফালৰ পৰা নিশ্চিত আদেশ হৈছিল। সেই অভিশপ্তসকলৰ বাহিৰে প্ৰতিজন শত্ৰুৰ পাপ ক্ষমা কৰি দিয়া হৈছিল। এইটো আছিল ইয়াৰ বাস্তৱতা। ইমান মানুহক হত্যা কৰা হৈছে বুলি কোৱাটো নিন্দনীয় তথা নবী কৰিম (ছাঃ)ৰ অপমান কৰা হয়। এইবোৰ ভুল কথা। বাকী ইনশা আল্লাহ পৰৱৰ্তীত বৰ্ণনা কৰিম।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে পৃথিৱীৰ অৱস্থা আপোনালোকৰ সন্মুখত সুস্পষ্ট, দোৱা কৰি থাকিব। ইয়াৰ বাবে মই আগতে কেইবাবাৰ কৈছো যে জৰুৰীকালীন অৱস্থাত যিসকলে ৰাখিব পাৰে তেওঁলোকে কেইমাহমানৰ খাদ্য সামগ্ৰী মজুত ৰখা দৰকাৰ। এতিয়া চৰকাৰেও নিজৰ লোক সকলক কৈছে যে তিনি মাহৰ ৰেচন ঘৰত ৰাখিব। আল্লাহ তা'লা বিশ্বখনৰ ওপৰত দয়া কৰক আৰু যুদ্ধৰ ভয়ানক ৰূপ ধাৰণ কৰাৰ পৰা ৰক্ষা কৰক।

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে আমাতুন নাছিৰ নগহত চাহিবা ৰাজা আব্দুল মালিক চাহাবৰ স্ত্ৰী যিগৰাকী হজৰত মিৰ্জা শ্বৰিফ আহমদ চাহাবৰ নাতিনী আৰু হজৰত নৱাব আমাতুল হাফিজ বেগম চাহিবা (ৰাঃ)ৰ নাতিনী আছিল আৰু মিৰ্জা দাউদ আহমদ চাহাবৰ ছোৱালী আছিল। মাননীয় আলহজ্ব ইয়াকুব আহমদ বিন আবু বকৰ চাহাব যিয়ে আহমদীয়া উচ্চতৰ মাধ্যমিক স্কুলৰ প্ৰাক্তন প্ৰধান শিক্ষক আৰু ঘানাৰ ৰাষ্ট্ৰীয় তবলিগ ছেক্ৰেটাৰী আছিল। হুজুৰ (আইঃ)য়ে তেখেতসকলৰ সদগতিৰ কথা উল্লেখ কৰি নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهُ وَنَسْتَعِيْنُهُ وَنَسْتَغْفِرُهُ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

# BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................................
..............................................................................................................................
..............................................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB